# 2 0 1 8

## ASSAMESE

## ( Major )

Paper : 6.2

*Full Marks* : 60

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৭=৭

(ক) হেমচন্দ্ৰ বৰুৱাই হিন্দী বা ব্ৰজভাষা কাৰ পৰা শিখিছিল ?

(খ) মহাপুৰুষ মাধৱদেৱৰ জন্ম প্ৰাচীন কামৰূপৰ কোনটো পীঠত হৈছিল ?

(গ) 'কৃষ্ণ' শব্দৰ পাৰিভাষিক অৰ্থ কি ?

(ঘ) প্ৰাচীন ৰোম দেশৰ শিক্ষাব্যৱস্থাৰ এটি মূল বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) 'ৰামনৱমী' নাটকৰ নৱমী আৰু ৰামচন্দ্ৰৰ মিলনদূতী কোন ?

(চ) গুণাভিৰামৰ 'ৰামনৱমী' নাটকত বিধবা-বিবাহ সংস্কাৰ আন্দোলনৰ প্ৰভাৱ সম্পৰ্কে চমুকৈ লিখা।

(ছ) আমিয়েলৰ *Journal Intime* (আমিয়েলৰ 'অন্তঃপ্ৰাণৰ ডায়েৰী') গ্ৰন্থখনৰ এটি চমু পৰিচয় দিয়া।

২। চমু উত্তৰ দিয়া : ২×৪=৮

(ক) প্ৰাচীন কামৰূপৰ পীঠকেইটা কি কি?

(খ) নালন্দা বিশ্ববিদ্যালয়ত পাঠদান কৰা চাৰিটা বিষয়ৰ নাম লিখা।

(গ) জীৱৰ আনন্দলিপ্সা বৰ বেছি, কিয়?

(ঘ) হেমচন্দ্ৰ বৰুৱাৰ 'কানীয়াৰ কীৰ্ত্তন' নাটকৰ বিষয়বস্তু কি?

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) ইংৰাজে অসমৰ শাসনভাৰ লোৱাৰ পিচত সেই ৰাজ্যত হোৱা বিভিন্ন পৰিৱৰ্তনৰ এটি চমু বিৱৰণ দিয়া।

(খ) হেমচন্দ্ৰ বৰুৱাই নিজে পুনঃ বিবাহ নকৰাৰ সপক্ষে কোৱা কথাখিনি চমুকৈ লিখা।

(গ) 'ব্ৰহ্ম সৎ', 'ব্ৰহ্ম চিৎস্বৰূপ' আৰু 'ব্ৰহ্ম আনন্দময়'—চমুকৈ ব্যাখ্যা কৰা।

(ঘ) সৌন্দৰ্যবোধৰ লগত মানুহৰ সৌন্দৰ্য, বীৰ্য, চৰিত্ৰ আদি সদ্‌গুণৰ কি সম্পৰ্ক, চমুকৈ লিখা।





(ঙ) 'জীৱন এটি ৰূপক মাথোন'—এমাৰ্চনৰ এই উক্তিটোৰ তাৎপৰ্য 'পণ্ডিতৰ ভূমাস্পৃহা' নামৰ পাঠটিৰ আলমত চমুকৈ ব্যাখ্যা কৰা।

৪। (ক) 'আত্মজীৱন চৰিত' নামৰ পাঠটিৰ আধাৰত হেমচন্দ্ৰ বৰুৱাৰ সময়ৰ প্ৰাক্-স্বাধীনতাকালীন অসমৰ শিক্ষা ব্যৱস্থাৰ এটি ৰূপৰেখা দাঙি ধৰা। ১০

*অথবা*

(খ) 'ভাৰত বিধাতাৰ জ্যেষ্ঠ পুত্ৰ'—এই উক্তিটোৰ তাৎপৰ্য ব্যাখ্যা কৰা।

৫। (ক) ''আজিকালি পৃথিৱীৰ সকলো ঠাইতে শিক্ষা বিষয় লৈ নানা ৰকম আলোচনা হ'ব লাগিছে। সকলো চিন্তাশীল লোকৰ মত হৈছে যে বৰ্তমান প্ৰচলিত শিক্ষা-সংস্কাৰ নিতান্ত আৱশ্যক হৈছে।'' হেমচন্দ্ৰ গোস্বামীৰ 'শিক্ষাৰ ইতিহাস আৰু ছাত্ৰ' নামৰ পাঠটোৰ সহায়ত লেখকে শিক্ষাৰ কেনেধৰণৰ সংস্কাৰৰ কথা কৈছে, বৰ্ণনা কৰা। ১০

*অথবা*

(খ) ''সৌন্দৰ্য্যৰ স্থিতি নাই, ব্যাপ্তিহে আছে।'' নীলমণি ফুকনৰ এই কথাষাৰৰ যুক্তিযুক্ততা বিচাৰ কৰা।

৬। (ক) ''আমিয়েলৰ ডায়েৰী চাৰিওফালৰ সীমাবদ্ধ জ্ঞানৰ হেঁচাত স্বাভাৱিকৰূপে বিকাশ লাভ কৰিব নোৱাৰা অন্তঃপ্ৰাণৰ ৰসনিৰ্যাস মাথোন।'' বাণীকান্ত কাকতিৰ এই উক্তিটো উপযুক্ত উদাহৰণৰ দ্বাৰা বিচাৰ-বিশ্লেষণ কৰা। ১০

*অথবা*

(খ) ‘‘অসমীয়া সাহিত্যৰ পুৰণি ভেটিক নকৈ চিকুণাই ৰবঘৰ বন্ধাৰ কাম আৰম্ভ হয় এই ঊনবিংশ শতিকাটোৰ মাজ ভাগৰ পৰাই। এই যুগৰ সাহিত্যিক প্ৰচেষ্টাই গতি কৰিছিল ত্ৰিস্ৰোতা হৈ।’’ তীৰ্থনাথ শৰ্মাৰ এই উক্তিৰ আলমত ঊনবিংশ শতিকাৰ অসমীয়া সাহিত্যিক প্ৰচেষ্টাৰ তিনিওটা সোঁত বৰ্ণনা কৰা।

★★★



A35